DAINIK ASAM, Guwahati, August 31, 2011 *Dichang Noir Shihu*

# দিচাং নৈৰ শিহু



*দিচাং নৈত মাছমৰীয়া। ছবি ঃ তপন কুমাৰ বৰা*

গ্ৰীণ কলাম

পুলিন কলিতা

**গৈছিলো** হীৰাজান চাবলৈ, দেখা পালো দিচাং নৈৰ শিহু। ওপৰঞ্চি লাভ।

অৰুণাচল প্ৰদেশৰ কোনো অঞ্চলৰ পৰা ওলাই শিৱসাগৰ জিলাৰ দিচাংমুখত ব্ৰহ্মপুত্ৰত পৰা দিচাং এখন নাতিদীৰ্ঘ, মজলীয়া আকাৰৰ নৈ। যিকেইখন নৈৰ নাম বিহুনামত বিশেষভাৱে উল্লিখিত হৈছে, তাৰ ভিতৰত দিচাঙো এখন। সেই 'দিচাং পাৰে হ'লো' টুলুঙা নাৱত উঠি; নাৱৰীয়া হ'ল লেপাইগাঁৱৰ যুৱক পলাশ ফুকন। তেৱেঁই 'গাইড'; সহযোগী পালেঙী-জিয়ামাৰী গাঁৱৰ প্ৰকৃতিপ্ৰেমী আৰু ক্ৰীড়াসংগঠক তপন কুমাৰ বৰা। লেপাই গাঁৱেদি দিচাং পাৰ হৈ নৈপৰীয়া গোবাটেৰে ভটীয়াই আঢ়ৈ-তিনি কিলোমিটাৰ নিলগত হীৰাজান দিচাঙত পৰা চালোগৈ। বাঁওপাৰে মিচিংসকলৰ এখন গাঁও জুলাটুপ। তাতেই দুপৰৰ ৰ'দত জিলিকি উঠিল ভুটুংকৈ দেখা দিয়া এটা শিহু। অপাৰ বিস্ময়ত ৰৈ গ'লো!

সেই শৈশৱতে নৈৰ পানীত উজাই যোৱা দেখিছিলো শিহু। বৰলীয়া নৈত। বৰলীয়া গৈ পাগলাদিয়াত, পাগলাদিয়া গৈ চাউলখোৱাত আৰু চাউলখোৱা গৈ ব্ৰহ্মপুত্ৰত পৰিছে। লুইতৰ পৰা নৈয়ে নৈয়ে দূৰত্ব কমেও ৬০ কিলোমিটাৰ। তেতিয়া ইমান দূৰলৈ উজাইছিল শিহু। অথবা সকলো নৈতে আছিল শিহুৰ নিজস্ব আবাস। এতিয়া অসমৰ খুব কমসংখ্যক নৈতহে শিহুৰ নিজস্ব আবাস আছে। ব্ৰহ্মপুত্ৰৰো নিৰ্বাচিত তিনিটামান খণ্ডতহে শিহুৰ স্থায়ী বসতি। এনে ঠাইৰ পৰাই নিকটৱৰ্তী উপনৈৰ মুখেদি পোৱালি দিবৰ পৰত উজায় শিহু। হীৰাজানৰ মুখত শিহু দেখি স্মৃতিৰ ভাণ্ডাৰটো খুচৰিলো— একো তথ্য ওলাই নাহিল। দিচাং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ চাপৰিত গৰু-ম'হৰ খুঁটি পাতি জীৱিকা মোকলোৱা পলাশকে সুধিলো।

দিচাঙত শিহু আছেই। এতিয়া কমিছেহে।— পলাশৰ উত্তৰ।

শিহু ধৰেনে ইয়াত? শিহুৰ তেল ঔষধ হিচাপে ব্যৱহাৰ হয় নে? মোৰ প্ৰতিপ্ৰশ্ন। কবিৰাজী কৰা মোৰ মাতুল ককাৰ ভঁৰালত শৈশৱতে শিহুৰ তেলৰ চিচা দেখা মনত আছে।

ডাঙৰত ধৰিবলৈ আজিকালি বেছি শিহু নাই। কিন্তু পোৱালিতে ধৰে। দিচাংমুখৰ বজাৰত বাৰিষা কালত শিহু পোৱালি বিক্ৰীও হয়। কোনো কোনোৱে খায়। — পলাশৰ উত্তৰ। শিহু খায় বুলি নাজানিছিলো। কিমান কথাই যে নাজানো!

সিদ্ধান্ত হ'ল ফটো লোৱা যাওক। নাৱেৰে খেদি শিহুৰ ফটো তোলা সম্ভৱ নহয়। শিহুৰ দৰ্শনেন্দ্ৰিয় নাই; ই সকলো কাম শ্ৰৱনেন্দ্ৰিয় ব্যৱহাৰ কৰি কৰে। পানীত নাৱেৰে অনুসৰণ কৰিলে ই বঠাৰ শব্দত পলায়। উজাবহে লাগিব যিহেতু, বঠা লাগিবই। কেমেৰাৰ 'ৰেঞ্জ' চোৱা হ'ল। ইপাৰৰ পৰাই সিপাৰ ঢুকি পোৱা যায়। কেমেৰা লৈ সাজু হ'ল বৰা; আৰু শিহুৰ অনুসৰণ আৰম্ভ কৰিলো। হীৰাজানৰ পৰা উজনিলৈ। এবাৰ ভোটোঙাই ওলাই দ্বিতীয়বাৰ ওলাব পৰাৰ সম্ভাব্য দূৰত্ব পলাশে হিচাপ কৰি দেখুৱালে। আমাক উৎসাহিত কৰি হীৰাজানৰ মুখতে ভুটুংকৈ দেখা দি টুপাই বুৰ মাৰিলে দুজনী/দুটা শিহুৱে। কেমেৰাই চৌখিনিহে ধৰিব পাৰিলে। শিহু উজাল; আমিও উজালো। এক-ডেৰ কিলোমিটাৰ অনুসৰণ কৰাৰ পিছত শিহু আৰু নোলোৱা হ'ল। ঠিক দীঘল দৰিয়লী গাঁৱৰ পোনে পোনে। সেইখিনিতে কুঁড় এটা থকা যেন অনুমান হ'ল। সম্ভৱতঃ এই ঠাইতেই জিৰণি লয় দিচাঙৰ শিহুৱে। হয়তো এয়েই আটাইৰে ঘৰ। পিছত জানিলো, দীঘল-দৰিয়লী গাঁৱত নহয়, অফলা গাঁৱৰ ওচৰতহে আছে শিহুৰ এখন নিগাজী ঘৰ। তথ্যটো আব্দুল ৱাকিদৰ। অসমৰ শিহু সম্পৰ্কে বিস্তৃত গৱেষণা কৰিছে ৱাকিদে। অফলা লুইতপৰীয়া-দিচাংপৰীয়া বিখ্যাত গাঁও। ভালেসংখ্যক সমাজ সচেতন লোকৰ বসতি এই গাঁৱত। ইয়াৰ পৰা দিচাং লুইতত পৰা ঠাইখিনি নিচেই ওচৰত। আমি আশা কৰিম অফলা আৰু দিচাংমুখ গাঁওবাসীয়ে শিহুকেইটাক ৰক্ষণাবেক্ষণ দিব।

*(চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰনমেণ্ট প্ৰদত্ত এটা ফেলোশ্বিপৰ অধীনত ৰচিত)*

লেখকৰ ফোন ঃ +৯১ ৯৮৬৪২-৯৬১৩১ e-mail : pulalkal@yahoo.com